## গোৱালপাৰা কলেজত ‘প্লাষ্টিক এৰোঁ, পৃথিৱী গঢ়োঁ’ বাটৰ নাট প্ৰদৰ্শন

# গোৱালপাৰা প্ৰশাসনৰ পৰিৱেশ দিৱস পালন



**বাৰ্তা ব্যুৰ’, গোৱালপাৰা, ৬ জুন ঃ** অসম চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ উদ্যোগত সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত কালি পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। পৰিৱেশ দিৱস উপলক্ষে জিলা প্ৰশাসনে ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে ‘প্লাষ্টিক এৰোঁ, পৃথিৱী গঢ়োঁ’ শীৰ্ষক উদয় শংকৰ দে’ আৰু সতীৰ্থবৃন্দৰ অভিনয়েৰে গোৱালপাৰা মহাবিদ্যালয়ৰ চৌহদত বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জিলা উন্নয়ন আয়ুক্ত ৰণজিৎ কোঁৱৰে বাটৰ নাট প্ৰদৰ্শন উদ্বোধন কৰাৰ পিছতে গোৱালপাৰা জিলাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে গোৱালপাৰা মহাবিদ্যালয়ত এজোপা গছপুলি ৰোপণ কৰি বিশ্ব পৰিৱেশ দিৱসৰ শুভ উদ্বোধন কৰে। গছপুলি ৰোপণ কৰি উপায়ুক্তগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে বৰ্তমান গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে আমি প্ৰত্যেকে সচেতন হ’ব লাগিব। অকলে গছপুলি ৰোপণ কৰিলে নহ’ব, ইয়াক যত্ন কৰিব লাগিব। গোৱালপাৰা মহাবিদ্যালয় প্ৰাংগণত ‘পৰিৱেশে জলবায়ু পৰিৱৰ্তন কৰে’ শীৰ্ষক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা-চক্ৰত সমল ব্যক্তি হিচাপে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক ক্ৰমে ড° ধনঞ্জয় মেধি, ড° ধনেশ্বৰ বৰ্মন আৰু ড° হেমন্ত ডেকা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। জে এন মেম’ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাটৰ নাট প্ৰদৰ্শন কৰাৰ লগতে শপত গ্ৰহণ কৰে। জিলা উপায়ুক্তগৰাকীয়ে উৰাপদ বিলৰ পাৰতো গছপুলি ৰোপণ কৰে। পৰিৱেশ দিৱসত জিলা উপায়ুক্তগৰাকীৰ লগতে জিলা উন্নয়ন আয়ুক্ত ৰণজিৎ কোঁৱৰ, অতিৰিক্ত উপায়ুক্ত ৰাকেশ ডেকা, সহকাৰী আয়ুক্তা তৃষ্ণা মণিকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।